ৰাম ৰতন গুপ্তা

-বনাম-

বলবৎ কৰণ সঞ্চালক, বিদেশী মুদ্ৰা বিনিময়ৰ

বিধি, আৰু আন এক পক্ষ

১৯৬৫ চনৰ ৩০ আগষ্ট

[ন্যায়াধীশ কে. চুব্বা ৰাও, ন্যায়াধীশ জে আৰ মুধলকাৰ আৰু ন্যায়াধীশ আৰ এছ বাচাৱাট)

বৈদেশিক মুদ্ৰা বিনিময় নিয়ন্ত্ৰণ আইন (১৯৪৭ চনৰ ৭), ধাৰা ৪(১) আৰু (৩)ৰ পৰিসীমা।

আপীলকাৰীয়ে তেওঁৰ ভ্ৰমণৰ খৰচ পূৰণ কৰাৰ উদ্দেশ্যে ভাৰত চৰকাৰৰ পৰা প্ৰয়োজনীয় বৈদেশীক বিনিময় মুদ্ৰা লাভ কৰাৰ পিছত ১৯৫১ চনৰ পৰা ১৯৫৬ চনৰ ভিতৰত সুদূৰ পূবৰ দেশসমূহ ভ্ৰমণ কৰিছিল। তেওঁ বৈদেশিক মুদ্ৰাৰ ব্যয় নোহোৱা অংশ সেই দেশসমূহৰ চাৰ্টাৰ্ড বেংকৰ বিভিন্ন শাখাত জমা কৰিছিল। সঞ্চালক, বলবৎকাৰী, সঞ্চালকালয়, বৈদেশিক মুদ্ৰা নিয়ন্ত্ৰণ আইন, ধাৰা ১৯(২) অধীনত কাৰ্য্যবিধি গ্ৰহণ কৰে আৰু ধাৰা ৪(১) আৰু (৩)ৰ অধীনত দোষী সাব্যস্ত কৰে। এই নিৰ্দেশ বৈদেশিক মুদ্ৰাৰ বিনিময় নিয়ন্ত্ৰণৰ আপীল ব'ৰ্ডে আপীলত নিশ্চিত কৰে।

এই আদালতত কৰা উক্ত আবেদনত গ্ৰাহ্য হয় যে:

(i) আপীলকাৰীয়ে ধাৰা ৪(১) ৰ বিধানসমূহ উলংঘা কৰা বুলি ধৰিব নোৱাৰি। [৬৫৪ এফ]

ধাৰা ৪(১)ক চুবলৈ হ'লে আপীলকাৰীয়ে বৈদেশীক বিনিময়খিনি ঋণ দিব লাগিছিল

এজন এনে ব্যক্তিক যিজন ব্যক্তি ইয়াৰ বাবে কৰ্তৃত্বপ্ৰাপ্ত নাছিল। ধাৰা ৪(১)ৰ মতে, বেংক, নিঃসন্দেহে, ইয়াৰ বাবে কৰ্তৃত্বপ্ৰাপ্ত নহয়, কিন্তু, যেতিয়া কোনো ব্যক্তিয়ে বিনামূলীয়া মুদ্ৰা জমা কৰে প্ৰয়োজন সাপেক্ষে ইয়াক উলিয়াবলৈ বেংকৰ চলিত একাউণ্টত (current account)ত, যিটো উদ্দেশ্যৰ বাবে ইয়াক দিয়া হৈছিল, সেইটো ধৰি লোৱা সম্ভৱ নহয় যে তেওঁ বেংকৰ সৈতে ঋণৰ চুক্তি কৰিছে । সাধাৰণতে বেংকৰ চলিত একাউণ্টত কোনো ধন জমা কৰিলে ঋণৰ সৃষ্টি হয়, কিন্তু ইয়াৰ লগত ঋণৰ চুক্তিবদ্ধ হোৱাটো বাধ্যতামূলক নহয়। [৬৫৩ ই, ৬৫৪ চি, ডি-ই)

শান্তি প্ৰসাদ জৈন -বনাম- বলবৎকাৰী সঞ্চালক, [১৯৬৩] ২ এছ.চি.আৰ. ২৯৪,

অনুসৰণ কৰা হ'ল।

(ii) ন্যায়াধিকৰণসমূহে শুদ্ধভাৱে বিবেচনা কৰে যে আপীলকাৰীয়ে ধাৰা ৪(৩) ভংগ কৰিছে। [৬৫৫ ক]

এই উপধাৰাৰ অধীনত আপীলকাৰীয়ে ব্যয় নকৰা বৈদেশীক বিনিময় মুদ্ৰাখিনি পলম নকৰাকৈ কৰ্তৃত্বপ্ৰাপ্ত বিক্ৰেতাক বিক্ৰী কৰিব লাগিছিল। যিহেতু তেওঁ বেংকৰ বিভিন্ন শাখাৰ চলিত একাউণ্টত সেই ধনৰাশি কেইবাবছৰ ধৰি জমা ৰাখিছিল আৰু সেইবাবে তেওঁ এই বিধান উলংঘা কৰাৰ বাবে দোষী সাব্যস্ত হৈছিল। [৬৫৪ এইচ;

৬৫৫ ক]

দেৱানী আপিল বিচাৰ এলেকা : দেৱানী আপীল নং ৮৯০/১৯৬৪ চন।

১৯৫৯ চনৰ ৫২ নং আপীলৰ ১৯৬৩ চনত বৈদেশিক মুদ্ৰা বিনিময় নিয়ন্ত্ৰণ আপীল ব'ৰ্ড, নিউ দিল্লীৰ, ১৯ ফেব্ৰুৱাৰী, ২০১৯ তাৰিখৰ আদেশৰ ওপৰত বিশেষ অনুমতিৰ দ্বাৰা আপীল।

এ ভি বিশ্বনাথ শাস্ত্ৰী আৰু জে পি গোৱেল, আপীলকাৰীৰ বাবে।

বিষাণ নাৰায়ণ, আৰ এন সচথে আৰু বি আৰ জি কে আচাৰ, বিপৰীত পক্ষৰ বাবে।

আদালতৰ ৰায়দান প্ৰদান কৰে

[ন্যায়াধীশ চুব্বা ৰাও- বিশেষ অনুমতিৰ দ্বাৰা কৰা আপীলকাৰীৰ এই আবেদনে বৈদেশিক মুদ্ৰা নিয়ন্ত্ৰণ আইন, ১৯৪৭ (১৯৪৭ চনৰ ৭ নং)ৰ ধাৰা ৪ ৰ উপ- ধাৰা (১) আৰু (৩) ৰ বিধান উলংঘা কৰিছিল নেকি বুলি চমু প্ৰশ্ন উত্থাপন কৰে (ইয়াৰ পিছত কেৱল আইনখন বুলিহে কোৱা হ'ব)।

১৯৫১ চনৰ পৰা ১৯৫৬ চনলৈকে আপীলকাৰী ৰাম ৰতন গুপ্তাই, ভাৰত চৰকাৰৰ পৰা প্ৰয়োজনীয় বৈদেশীক বিনিময় মুদ্ৰা লাভ কৰাৰ পিছত সুদূৰ পূৰ্বাঞ্চলৰ দেশসমূহ ভ্ৰমণ কৰে। সেই সময়ত আপীলকাৰীয়ে চাৰ্টাৰ্ড বেংক, ইণ্ডীয়া, অষ্ট্ৰেলিয়া আৰু চীনৰ, ছিংগাপুৰ, হংকং, অছাকা আৰু ট'কিঅ'ত ভাৰতীয় ৰিজাৰ্ভ বেংকৰ সাধাৰণ বা বিশেষ অনুমতি অবিহনে চলিত একাউণ্ট খুলিছিল । উক্ত বেংকৰ বিভিন্ন শাখাত তেওঁক দিয়া বৈদেশিক মুদ্ৰাৰ ব্যয় নোহোৱা অংশ জমা কৰিছিল। তেওঁ বিভিন্ন শাখাত কৰা উক্ত জমা ধনৰ বাকী থকা ধনৰ পৰিমান আছিল £ ৪০ (ষ্টাৰলিং)। আপীলকাৰীয়ে ভাৰতলৈ উভতি অহাৰ পিছতো সেই একাউণ্টসমূহৰ পৰা ধন লাভ কৰিছিল। সঞ্চালক, বলবৎকাৰী সঞ্চালকালয়, বৈদেশিক মুদ্ৰা

নিয়ন্ত্ৰণ আইনৰ ধাৰা ১৯(২)ৰ অধীনত গোছৰ প্ৰক্ৰিয়া আৰম্ভ কৰে আৰু প্ৰয়োজনীয় অনুসন্ধান কৰাৰ পিছত আপীলকাৰীৰ বিৰুদ্ধে বিধান উলংঘা কৰাৰ বাবে ধাৰা ৪ ৰ উপ ধাৰা (১) আৰু (৩) ৰ অধীনত তেওঁক দোষী সাব্যস্ত কৰে আৰু ধাৰা ২৩ (১)(ক) মতে তেওঁক ওপৰত ২,৫০০/- টকাৰ জৰিমনা বিহা হয় । আপীলত বৈদেশিক মুদ্ৰা নিয়মাৱলীৰ সঞ্চালকে প্ৰকাশ কৰা মতামতৰ সৈতে আপীল ব'ৰ্ডে একমত প্ৰকাশ কৰে যে আপীলকাৰীয়ে উক্ত আইনৰ বিধানসমূহ উলংঘা কৰিছে আৰু সেইবাবে আপিল আবেদন খাৰিজ কৰিলে। বৰ্ত্তমান আপীলকাৰীয়ে উক্ত ব'ৰ্ডৰ ৰায়দানৰ বিৰুদ্ধে বিশেষ অনুমতিৰ দ্বাৰা এই আবেদন উপস্থাপন কৰিছে।

আপীলকাৰীৰ বিদ্বান অধিবক্তা শ্ৰী এ ভি বিশ্বনাথ শাস্ত্ৰীয়ে দাবী কৰিছিল যে আপীলকাৰীয়ে উক্ত বেংকৰ শাখাসমূহত জমা ৰখা মুঠ ধন, তেওঁক দিয়া বৈদেশিক মুদ্ৰাৰ বিনামূলীয়াৰ ধনৰ নগণ্য অংশ, সেয়েহে তাত আপীলকাৰী আৰু বেংকৰ মাজত ঋণদাতা আৰু ঋণীৰ কোনো সম্পৰ্ক নাছিল আৰু উক্ত পৰিমাণৰ সন্দৰ্ভত বৈদেশিক মুদ্ৰাৰ বিনামূলীয়া অংশ কোনো চৰ্ত নোহোৱাকৈ তেওঁক দিয়া হৈছিল, আৰু সেইটো কাৰণত ধাৰা ৪ ৰ উপ ধাৰা (১) আৰু (৩) ৰ আৰোপ কৰাৰ কোনো পৰিসৰ নাই।

আমি উক্ত আইনখনৰ প্ৰাসংগিক বিধানসমূহ ক্ৰমত আলোচনা আৰু উক্ত বিতৰ্কসমূহৰ পৰ্যালোচনা কৰিম।

ধাৰা ৪- বৈদেশিক মুদ্ৰাৰ লেনদেনৰ ওপৰত নিষেধাজ্ঞা :

(১) ৰিজাৰ্ভ বেংকৰ পূৰ্বৰ সাধাৰণ বা বিশেষ অনুমতি অবিহনে, ভাৰতত বাস কৰা কোনো এজন কৰ্তৃত্বপ্ৰাপ্ত বিক্ৰেতা আৰু ভাৰতৰ বাহিৰত

ব্‌স কৰা কৰ্তৃত্বপ্ৰাপ্ত ভাৰতীয় বিক্ৰেতাৰ বাহিৰে কোনো বৈদেশীক মুদ্ৰা কৰ্তৃত্বপ্ৰাপ্ত বিক্ৰেটাৰ বাহিৰে আন যিকোনো ব্যক্তিৰ পৰা কিনা বা ধাৰ লোৱা, বিক্ৰী বা ঋণ দিয়া বা বিনিময় কৰিব নোৱাৰিব।

(২)

(৩) য'ত কোনো বৈদেশিক মুদ্ৰা যিকোনো কৰ্ত্তৃত্বশীল ব্যক্তিৰ আন কোনো অকৰ্ত্তৃত্বশীল ব্যক্তিয়ে বিশেষ উদ্দেশ্যৰ বাবে অধিগ্ৰহণ কৰে বা য'ত কোনো ব্যক্তিক চৰ্ত্তসাপেক্ষে বৈদেশীক মুদ্ৰা গ্ৰহন কৰাৰ অনুমতি দিয়া হয় সেই ব্যক্তিয়ে বিশেষ উদ্দেশ্যৰ বাহিৰে অধিগ্ৰহন কৰিব নোৱাৰিব, আন কোনো বিশেষ উদ্দেশ্যৰ বাবে, তেওক প্ৰদান কৰা বিষয়ৰ চৰ্ত্ত পূৰনত ব্যৰ্থ আৰু য'ত বৈদেশীক মূদ্ৰা ব্যৱহাৰ নকৰাকৈ অধিগ্ৰহণ কৰা বা আন কোনো বিশেষ উদ্দেশ্যত, চৰ্ত্তসমূহ মানি চলা নাই, সেই ব্যক্তিয়ে বিলম্ব নকৰাকৈ কোনো কৰ্তৃত্বপ্ৰাপ্ত ব্যক্তিক বৈদেশীক মূদ্ৰা বিক্ৰী কৰিব লাগে।

১৯৬৪ চনত আইনখনৰ ধাৰা ৪ (১) সংশোধন কৰা হৈছিল, কিন্তু আমি সংশোধনীৰ আগৰ উক্ত উপ-ধাৰাটোৰ সৈতেহে মনোনিবেশ কৰিম। ধাৰা ৪(১) ত দোষাৰূপ কৰিবলৈ হ'লে ভাৰতৰ এজন বাসিন্দা, যি কৰ্তৃত্বপ্ৰাপ্ত বিক্ৰেটা নহয়, যিকোনো বৈদেশিক মুদ্ৰা কৰ্তৃত্বপ্ৰাপ্ত বিক্ৰেটাৰ বাহিৰে আন ব্যক্তিক ধাৰলৈ দিব লাগিব। এই কথা বিতৰ্কিত নহয় যে উক্ত উপ-ধাৰাৰ অৰ্থৰ ভিতৰত বেংক "কৰ্তৃত্বপ্ৰাপ্ত বিক্ৰেটা বা কৰ্তৃত্বপ্ৰাপ্ত ডিলাৰ" নাছিল। যদি তেনে হয়, তেন্তে একমাত্ৰ প্ৰশ্নটো হ'ল আপীলকাৰীয়ে, উক্ত ধনৰাশিসমূহ চলিত একাউণ্টৰ বিভিন্ন শাখাত জমা কৰোতে বেংকক ধাৰলৈ দিছিল নেকি?

"ধাৰ" অভিব্যক্তিটোৰ অৰ্থ কি? সাধাৰণ ভাষাত ইয়াৰ অৰ্থ হৈছে কোনো এটা  বিশেষ বস্তু চৰ্ত্ত্সাপেক্ষে ব্যৱহাৰৰ বাবে আন ব্যক্তিক ধাৰলৈ দিয়া আৰু যিজন ব্যক্তিৰ বাবে ইয়াক ব্যৱহাৰ কৰা হৈছিল তেওঁ ধাৰলৈ দিয়া বস্তুটোৰ লগত ক্ষতিপূৰণ বা ক্ষতিপূৰণ নোহোৱাকৈ ঘূৰাই দিয়া।  ঋণ দিয়াৰ বিষয়বস্তু ধনও হ'ব পাৰে । যদিও চুক্তিবদ্ধ হোৱা ধাৰে ঋণৰ সৃষ্টি কৰে, চুক্তিবদ্ধ নকৰাকৈও ঋণৰ সৃষ্টি হ'ব পাৰে; অৰ্থাৎ ঋণৰ ধাৰণাটো ধাৰৰ তুলনাত অধিক বিস্তাৰিত।  এইটো প্ৰতিষ্ঠিত আইন যে এজন বেংকাৰ আৰু এজন গ্ৰাহকৰ মাজৰ সম্পৰ্ক হৈছে ঋণী আৰু পাওনাদাৰৰ। এই আদালতে শান্তি প্ৰসাদ জৈন –বনাম– বলবৎকাৰী সঞ্চালক (১) তলৰ নীতিবোৰ পুনৰ উল্লেখ কৰে :

"এতিয়া আইন যথাযথভাৱে সিদ্ধ হৈছে যে যেতিয়া ধন বেংকত জমা কৰা হয়, বেংক আৰু গ্ৰাহকৰ মাজত যিটো সম্পৰ্ক গঠন কৰা হয় সেইয়া হৈহে এজন ঋণী আৰু পাওনাদাৰ সম্পৰ্ক, ন্যাস আৰু হিতাধিকাৰী নহয়। বেংকে অনুমতি নোলোৱাকৈয়ে সেই ধন ব্যৱহাৰ কৰাৰ অধিকাৰ আছে, বেংকৰ একমাত্ৰ দায়িত্ব হ'ল চুক্তিবদ্ধ চৰ্ত অনুসৰি পুনৰ গ্ৰাহকক উক্ত ধনৰাশি ঘূৰাই দিয়া।

কিন্তু এই আদালতে সেই সাধাৰণ বক্তব্যত, এই মন্তব্যটো প্ৰকাশ কৰে যে "এটা বেংকৰ ন্যাস গঠন কৰিব পৰা বিশেষ ব্যৱস্থা থাকিব লাগে, কিন্তু এনে ব্যৱস্থাৰ বাহিৰে, বেংকৰ পদবী এজন ঋণীদাত্ৰহে, ন্যাসৰ নহয়"। সাধাৰণতে, চলিত একাউন্টত জমা কৰা ধনৰ ওপৰত বেংকে ঋণৰ সৃষ্টি কৰে; কিন্তু ইয়াত ধাৰ লোৱাৰ বাবে চুক্তি কৰাৰ কোনো প্ৰয়োজনীয়তা নাই। জমা ধন ঋণ বুলি ধৰা হব নে নহব সেইটো চুক্তিৰ চৰ্তসমূহৰ

ওপৰত নিৰ্ভৰ কৰে য'ত ধন জমা কৰা হৈছে। ধাৰা ৪ (১) ৰ প্ৰসংগত ক'ব পাৰিনে যে জমাকৰ্ত্তাই বৰ্তমানৰ গোচৰত বেংকক ধন ঋণ দিছিল? যেতিয়া কোনো ব্যক্তিয়ে বেংকৰ চলিত একাউণ্টত যিকোনো উদ্দেশ্যৰ বাবে বিনামূলীয়া মুদ্ৰা জমা কৰে যেতিয়া প্ৰয়োজন হয় তেতিয়াই ইয়াক উলিয়াবলৈ, তেতিয়া এই আইনৰ ধাৰা ৪ (১)ৰ অনুসৰি তেওঁ বেংকৰ সৈতে ঋণৰ ক্ষেত্ৰত চুক্তিবদ্ধ হৈছে বুলি ধৰি লোৱাটো সঠিক নহয়। তেওঁ কেৱল বিশেষ উদ্দেশ্যৰ বাবেহে ধন জমা কৰে। যদিহে এজন সৎ মানুহ, যিজনে বিদেশত তেওঁ থকা চমু সময়ত তেওঁৰ প্ৰয়োজনীয়তাৰ বাবে বিদেশী বেংকত বৈদেশীক মুদ্ৰা জমা কৰে আৰু প্ৰয়োজনত উলিয়াই আনে, তেতিয়া তাক আমি অপৰাধ বুলি ধৰিম নেকি। বিধানমণ্ডলৰ সেইটো উদ্দেশ্য হ'ব নোৱাৰে । যদি এনে জমা ধন ধাৰ নহয়, তেন্তে আপীলকাৰীয়ে উক্ত আইনৰ ধাৰা ৪ (১)ৰ নীতিসমূহ ভংগ কৰিছে বুলি ক'ব নোৱাৰি।

পৰৱৰ্তী প্ৰশ্নটো হ'ল আপীলকাৰীজনে উক্ত আইনৰ ধাৰা ৪ ৰ উপ-ধাৰা (৩)ৰ নীতি ভংগৰ বাবে দোষী নেকি । উপ-ধাৰা (৩)ৰ নিৰ্দ্দিস্ট অংশৰ অধীনত, য'ত যিকোনো বৈদেশিক মুদ্ৰা কোনো বিশেষ উদ্দেশ্যৰ বাবে কোনো ব্যক্তিয়ে অধিগ্ৰহণ কৰিছিল আৰু য'ত এইদৰে অধিগ্ৰহণ কৰা বৈদেশিক মুদ্ৰা ব্যৱহাৰ কৰিব নোৱাৰিলে, তেন্তে সেই ব্যক্তিজনে বিলম্ব নকৰাকৈ উক্ত বৈদেশিক মুদ্ৰাখিনি কোনো অনুমোদিত বিক্ৰেটাক বিক্ৰী কৰিব লাগিছিল। অনস্বীকাৰ্য্য যে আপীলকাৰীয়ে তেওঁৰ সুদূৰ পূবৰ দেশ ভ্ৰমণৰ খৰচ পূৰণ কৰাৰ উদ্দেশ্যে বৈদেশিক মুদ্ৰা লৈছিল; কিন্তু তেওঁ উক্ত উদ্দেশ্যৰ বাবে বৈদেশিক মুদ্ৰা সম্পূৰ্ণ ব্যৱহাৰ কৰিব পৰা নাছিল। যদি

সেইয়াই হয়, তেন্তে ধাৰা ৪ ৰ উপ-ধাৰা (৩) ৰ নীতিসমূহৰ মতে উক্ত ধনৰাশি বিলম্ব নকৰাকৈ কোনো কৰ্তৃত্বপ্ৰাপ্ত/ অনুমোদিত বিক্ৰেটাক বিক্ৰী কৰিব লাগিছিল। তাৰ পৰিৱৰ্তে তেওঁ উক্ত ধনৰাশি বহু বছৰৰ বাবে বিদেশৰ বিভিন্ন শাখাৰ চলিত একাউন্টত জমা ৰাখে। সেয়েহে ন্যায়াধিকৰণে সঠিকভাৱে কৈছিল যে আপীলকাৰীয়ে উক্ত বিধান উলংঘা কৰিছে।

এই আবেদনত বিবেচনাৰ বাবে আন কোনো কথা উত্থাপন হোৱা নাই ।

যিহেতু আপীলকাৰীক উক্ত আইনৰ কেৱল ধাৰা ৪ ৰ উপ-ধাৰা (৩) ৰ অধীনত দোষী পোৱা গ'ল, সেয়েহে ১০০০ টকা মাত্ৰ জৰিমনা বিহিলেই ন্যায়সঙ্গত হব বুলি ভাবো । আৰু সেয়েহে আমি তেওঁৰ ওপৰত আৰোপ কৰা ২,৫০০ টকাৰ জৰিমনা ১০০০/- টকালৈ হ্ৰাস কৰিলো । ফলত, বৈদেশিক মুদ্ৰা বিনিময় বিধিৰ আপীল ব'ৰ্ডৰ উক্ত আদেশ এই অনুসৰি সংশোধন কৰা হ'ল। দলসমূহে নিজৰ খৰচ নিজেই বহন কৰিব।

আদেশ সংশোধন কৰা হৈছে।

অনুবাদক: খগেন্দ্ৰ কলিতা

পৰীক্ষক: মিতালী কটকী

মুখ্য অনুবাদক

অনুবাদ শাখা, গৌহাটী উচ্চ ন্যায়ালয়

DISCLAIMER

"The translated judgment in vernacular language is meant for the restricted use of the litigant to understand it in his/her language and may not be used for any other purpose. For all practical and official purposes, the English version of the judgment shall be authentic and shall hold the field for the purpose of execution and implementation".

“স্থানীয় ভাষালৈ অনূদিত এই ৰায় গোচৰত জড়িত পক্ষই বুজি পোৱাৰ উদ্দেশ্যে সীমিত ব্যৱহাৰৰ বাবেহে। ইয়াৰ বাদে অন্য ক্ষেত্ৰত অনূদিত ৰূপ ব্যৱহৃত নহব। সকলো ব্যৱহাৰিক আৰু বিভাগীয় কামৰ লগতে ৰায়ৰ কাৰ্য্যকৰীকৰণ আৰু ৰূপায়ণৰ ক্ষেত্ৰতো এই ৰায়ৰ ইংৰাজী সংস্কৰণটোৰেই সঠিক বিবেচিত হব।“